# প্ৰাথমিক স্তৰত শিকনৰ ফলাফল
# ভাষা- অসমীয়া

## পৰিচয়—

প্ৰাথমিক স্তৰত আনুষ্ঠানিক শিক্ষা গ্ৰহণৰ ক্ষেত্ৰত আটাইতকৈ গুৰুত্বপূৰ্ণ বিষয়টোৱে হৈছে মাতৃভাষা। জন্মগ্ৰহণৰ পৰাই মাক তথা পৰিয়ালৰ সংস্পৰ্শত শিশুৱে যি ভাষাৰ সৈতে পৰিচিত হয়, যি ভাষাৰ জৰিয়তে শিশুৱে বহিৰ্জগতখনক জানিবলৈ আৰু চিনিবলৈ শিকে সেয়াই শিশুৰ মাতৃভাষা। শিশুৱে যি পৰিৱেশত লালিত পালিত হয়, সেই পৰিৱেশৰ পৰা মাতৃভাষা আহৰণৰ স্বাভাৱিক আৰু শক্তিশালী প্ৰবৃত্তিৰ বলত বাহ্যিক প্ৰেৰণা অবিহনেই অনায়াসে মাতৃভাষা আহৰণ কৰিব পাৰে। এই স্বাভাৱিক মাতৃভাষা আহৰণত শিশুৱে শ্ৰৱণ আৰু কথন কৌশলহে আহৰণ কৰে; ভাষাৰ বাকী লিখন আৰু পঠন কৌশল দুটা শিকনৰ বাবে শিশুক আনুষ্ঠানিক শিক্ষণ-শিকণ প্ৰক্ৰিয়াৰ প্ৰয়োজন। আনহাতে শিশুৱে আহৰণ কৰা শ্ৰৱণ আৰু কথন কৌশলৰ ঘৰুৱা ভাষাকো পৰ্যায়ক্ৰমে মান্য ভাষালৈ উত্তৰণ ঘটাব লাগে। তাৰ বাবে শিশুক প্ৰণালীবদ্ধভাৱে মাতৃভাষাৰ শিক্ষাদান কৰাতো অতীৱ প্ৰয়োজন। ছাত্ৰ-ছাত্ৰীসকলে শিকিবলগীয়া ভাষাটো সঠিকভাৱে আয়ত্ত কৰিব পাৰিলেহে অন্যান্য বিষয়বোৰ, যেনে— গণিত, বিজ্ঞান, সমাজ বিজ্ঞান, দ্বিতীয় ভাষা আদি আয়ত্ত কৰাত সফলতা লাভ কৰিব পাৰে। শিশুসকলে বিদ্যালয়লৈ এটা কৌতুহলী মন লৈ আহে, য'ত পৰিপূৰ্ণ হৈ থাকে নিজৰ ঘৰুৱা ভাষা, নিজৰ অনুভৱ, অভিজ্ঞতা আৰু বিশেষকৈ সমগ্ৰ জগতখনৰ প্ৰতি নিজা দৃষ্টিভংগী। পৰিয়াল পৰিজন আৰু পৰিৱেশৰ পৰা আহৰণ কৰি লৈ অহা ঘৰুৱা ভাষাটোক আধাৰ হিচাপে ভাষা শিক্ষণ আৰু শিকন প্ৰক্ৰিয়াত ব্যৱহাৰ কৰা প্ৰয়োজন। প্ৰথমবাৰ বিদ্যালয়লৈ অহা শিশুসকল বহুতো শব্দৰ অৰ্থ আৰু তাৰ প্ৰভাৱৰ সৈতে পৰিচিত। লিপিবদ্ধ চিত্ৰ বা ধ্বনি প্ৰতীক আৰু তাৰ সৈতে জড়িত ধ্বনিবোৰ শিশুসকলৰ বাবে বিমূৰ্ত্ত, সেইবাবে পঠনৰ আৰম্ভণি অৰ্থপূৰ্ণ মূৰ্ত সামগ্ৰীৰে হোৱা উচিত আৰু উদ্দেশ্যধৰ্মী হ'ব লাগে। উদ্দেশ্যসমূহ গল্প বা কাহিনী শুনি আৰু পঢ়ি ৰসাস্বাদন লোৱাও হ'ব পাৰে বা সাধু কথা, গীত-মাত, কবিতা আদি শুনি বুজি পোৱাও হ'ব পাৰে। ইয়াৰ উপৰিও ছাত্ৰ-ছাত্ৰীয়ে মান্যভাষাৰ বক্তৃতা, অনাতাঁৰ ভাষণ, সংলাপ, অনাতাঁৰ বা দূৰদৰ্শনৰ বাতৰি, চলন্ত বিৱৰণী, বিজ্ঞাপন বাৰ্তা আৰু কথোপকথন শুনি বুজি পোৱাও হ'ব পাৰে। লাহে লাহে শিশুসকল ভাষাৰ লিপিৰ সৈতে পৰিচিত হোৱাৰ পিছত নিজৰ পৰিৱেশত উপলব্ধ লিখিত ভাষা পঢ়ি বুজিবলৈ আৰম্ভ কৰে। ভাষা শিক্ষণ আৰু শিকন প্ৰক্ৰিয়াৰ মূলতে, শিশুসকলৰ প্ৰতি থকা ধাৰণা মতে, শিশুসকলে চৌপাশৰ জগতখনৰ প্ৰতি নিজৰ জ্ঞান আৰু বোধৰ সৌধ নিজেই নিৰ্মাণ কৰে। এই নিৰ্মাণ কোনোবাই শিকোৱা বা বলপূৰ্বকভাৱে নহৈ শিশুসকলৰ নিজৰ অনুভৱ আৰু প্ৰয়োজনীয়তাতহে হ'ব লাগে। সেইবাবে শিশুসকলক বিনা বাধাৰে উপযুক্ত পৰিৱেশৰ সন্ধান কৰি নতুন অভিজ্ঞতাবোৰ বিচাৰ বিশ্লেষণ কৰিবলৈ সুবিধা দিয়াৰ প্ৰয়োজন। এই ধাৰণা শিশুসকলৰ ভাষিক সক্ষমতাৰ ক্ষেত্ৰতো প্ৰযোজ্য হয়। বিদ্যালয়লৈ আহি শিশুসকলে প্ৰায়ে নিজৰ অভিব্যক্তি নিসংকোচে প্ৰকাশ কৰিবলৈ সমৰ্থ নহয়, কিয়নো ঘৰুৱা পৰিৱেশত যিটো ভাষাত নিজৰ মতামত, অনুভৱ, ভাব চিন্তা আৰু আৱেগসমূহ ব্যক্ত কৰিব বিচাৰে বিদ্যালয়ত সেইটো ভাষা স্বীকৃত নহয়।

ভাষা শিকনক বহুভাষী পৰিৱেশৰ দৃষ্টিভংগীৰে চোৱাৰ আৱশ্যকতা আছে। কিয়নো আমাৰ ৰাজ্যখন বহুভাষিক ৰাজ্য। সেয়েহে শ্ৰেণীকোঠাত বিভিন্ন ভাষা-ভাষী, এটাতকৈ অধিক ভাষা ক'ব পৰা তথা বিভিন্ন সাংস্কৃতিক পটভূমিৰ পৰা অহা বিভিন্ন শিশুৰ আগমন ঘটে। আনহাতে সমগ্ৰ ৰাজ্যখনত অসমীয়া ভাষাৰ অসংখ্য কথিত ৰূপ বিদ্যমান। শ্ৰেণীকোঠাত তেওঁলোকে লগত লৈ অহা এই ভাষাসমূহক আদৰণি আৰু সন্মান জনোৱা উচিত। প্ৰাথমিক স্তৰত ভাষা শিক্ষণ-শিকণ সম্বন্ধে গুৰুত্বপূৰ্ণ কথাটো হ'ল, তেওঁলোকে যাতে বিভিন্ন প্ৰকাৰৰ পৰিচিত আৰু অপৰিচিত পৰিৱেশত ভাষাৰ সঠিক প্ৰয়োগ কৰিব পাৰে। কল্পনাৰ ৰহন সানি সহজ-সৰলভাৱে আৰু বেলেগ বেলেগ ধৰণে লিখিব পাৰে, ভাষাটো প্ৰভাৱশালী ৰূপত প্ৰকাশৰ বাবে সঠিক শব্দৰ প্ৰয়োগ কৰিব পাৰে আৰু শিশুৱে যাতে ভাষা শিকনৰ এই চাৰিওটা কৌশলতেই

পুৰ্বজ্ঞানৰ সহায়ত অৰ্থৰ সংগঠন কৰিব পাৰে আৰু কোৱা কথাৰ নিহিতাৰ্থ বুজিব পাৰে, তাৰ ওপৰত গুৰুত্ব দিব লাগিব।

পঠন কেৱল পুথিগত কৌশল নহয়; ই এটা জীৱনজোৰা প্ৰক্ৰিয়া। পঠন হ'ল পঢ়ি লৈ তাৰ ওপৰত প্ৰতিক্ৰিয়া প্ৰকাশ কৰা এক প্ৰক্ৰিয়া। পঠনৰ অৰ্থ-সন্ধান (অৰ্থোদ্ধাৰ) কেৱল শব্দ আৰু বাক্যৰ অৰ্থ-সন্ধান (অৰ্থোদ্ধাৰ) তে সীমাবদ্ধ নহয়, ই পাঠৰ সমগ্ৰতাটো নিহিত হৈ থাকে। কেতিয়াবা কেতিয়াবা আনকি পাঠটোত স্পষ্টভাৱে যি কথা কোৱা নহয় সেই কথাৰ অৰ্থ বুজাটোও প্ৰয়োজনীয় হৈ পৰে। আমি এইটোও বুজা উচিত যে, প্ৰতিটো লিখনিৰে এক স্বকীয় প্ৰকাশভংগী থাকে আৰু সেই প্ৰকাশভংগীক বুজিবলৈ পৰিচিত অৰ্থ গঠন সদায় সহায়ক হয়।

লিখন কৌশল শিকনৰ বাবে শিশুসকলে বিদ্যালয়লৈ আহি এটা প্ৰকৃত মুক্ত লিখন পৰিৱেশ পোৱা উচিত। লিখন প্ৰক্ৰিয়াই তেতিয়াহে সাৰ্থকতা লাভ কৰে যেতিয়া শিশুসকলে নিজৰ ভাষা, কল্পনা, চিন্তা-ভাৱনা, আৱেগ-অনুভূতি আদি নিজা দৃষ্টিভংগীৰে লিখিবলৈ স্বাধীনতা পায়। আনহাতে শিশুৱে কেৱল কৃষ্ণফলক, কিতাপ অথবা শিক্ষকে লিখি দিয়া কথাবোৰহে অনুৰূপভাৱে লিখাৰ সলনি যাতে নিজৰ ভাষিক প্ৰকাশ আৰু সৃষ্টিশীল লিখনিৰে আত্মপ্ৰকাশৰ শৈলী বিকশিত কৰাৰো সুবিধা লাভ কৰে তাক নিশ্চিত কৰা উচিত।

ছাত্ৰ-ছাত্ৰীসকলে নিজৰ পাঠ্যপুথিখন পঢ়িবলৈ শিকি, পাঠ্যপুথিৰ প্ৰতিটো পাঠৰ অনুশীলনত দিয়া প্ৰশ্নবোৰৰ উত্তৰ লিখিব পৰাটোৱেই পঠন আৰু লিখনৰ একমাত্ৰ উদ্দেশ্য নহয়; ইয়াৰ লগে লগে যাতে তেওঁলোকে নিজৰ দৈনন্দিন জীৱনত লিখা,পঢ়াৰ সঠিক ব্যৱহাৰ কৰিব পাৰে, পাঠৰ অন্তৰ্নিহিত সামাজিক আৰু সাংস্কৃতিক মূল্যবোধ সমূহক প্ৰতিফলিত কৰিব পাৰে, সেয়া নিশ্চিত কৰিব লাগে। পঠন আৰু লিখন প্ৰক্ৰিয়াত উদ্দেশ্য অনুযায়ী পঢ়া আৰু লিখাৰ পদ্ধতিৰ পাৰ্থক্যও অন্তৰ্ভুক্ত হোৱা উচিত। পঠন পদ্ধতি নিৰ্ভৰ কৰে পঠনৰ উদ্দেশ্য কি তাৰ ওপৰত। এখন বিজ্ঞাপন পঢ়া আৰু এখন জাননী পঢ়া, সাধু পঢ়া আৰু কবিতা পঢ়াৰ পদ্ধতিৰ মাজত পাৰ্থক্য থাকে। লিখনৰ ক্ষেত্ৰটো এই কথাটো মহত্বপূৰ্ণ, কিয়নো পাঠক কোন, কাৰ কাৰণে বা কাক উদ্দেশ্য কৰি আমি লিখিছোঁ, সেইটোও গুৰুত্বপূৰ্ণ। যদি কোনো গল্প বা কাহিনী পঢ়ি তাত থকা চৰিত্ৰ আৰু ঘটনাক্ৰম সম্পৰ্কে গভীৰভাৱে চিন্তা কৰে, যেনে— এইটো যদি হ'ল, কিয় হ'ল; কাহিনীত এনেকুৱা কি আছে, যিটো যদি নহ'লহেঁতেন কাহিনী কোন ফালে গতি কৰিলেহেঁতেন ইত্যাদি ইত্যাদি। এইদৰে পাঠকৰ মনত অনুসন্ধিৎসা জগাই তুলিব পৰাটোও লিখনিৰ এক উদ্দেশ্য। আমাৰ পঠন আৰু লিখনত বহুতো বিকল্প আছে, বহুতো স্তৰ আছে আৰু প্ৰতিটো বিকল্প, প্ৰতিটো স্তৰেই গুৰুত্বপূৰ্ণ আৰু পৰস্পৰ সম্পৰ্কিত; এইবোৰে শ্ৰেণীত উপযুক্ত স্থান আৰু মৰ্যাদা পোৱা উচিত।

প্ৰাথমিক স্তৰত শিশুসকলৰ পৰা আশা কৰা হয় যে, তেওঁলোকে কোৱা আৰু আনে লিখা কথাৰ সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰিব পাৰে আৰু প্ৰশ্ন সুধিব পাৰে। শিশুৱে মনৰ ভাৱ প্ৰকাশৰ বাবে ব্যৱহাৰ কৰা ভাষাই এই কথাৰ প্ৰমাণ যে, তেওঁলোকে নিজৰ ব্যৱহৃত ভাষাৰ ব্যাকৰণ জানে। কিন্তু ব্যাকৰণৰ সূত্ৰসমূহ বুজি পাবৰ বাবে তেওঁলোকে ব্যাকৰণৰ বিভিন্ন দিশবোৰৰ বিষয়ে পাঠ্যপুথিৰ পাঠসমূহৰ জৰিয়তে অৱগত হোৱাতো প্ৰয়োজনীয় আৰু চাৰিওফালৰ পৰিৱেশৰ লগত জড়িত কৰি প্ৰয়োগ কৰাটোও অতি আৱশ্যক। ভাষাৰ বিভিন্ন ধৰণৰ প্ৰয়োগৰ প্ৰতি শিশুৰ মন আকৰ্ষণ কৰাৰ প্ৰয়োজন, যাতে ভাষাৰ জটিলতাসমূহ ধৰিব পাৰে আৰু নিজৰ কথন শৈলীত তাক প্ৰয়োগ কৰিব পাৰে। ভাষা শিকন আৰু শিক্ষন প্ৰক্ৰিয়া আৰু পৰিৱেশৰ ক্ষেত্ৰত এইটো লক্ষ্য ৰখা উচিত যে এটা শ্ৰেণীত প্ৰয়োগ কৰা প্ৰক্ৰিয়াটো পৰৱৰ্তী শ্ৰেণীৰ বাবে ব্যৱহাৰ কৰিব পৰা যায়। শ্ৰেণী অনুসাৰে আকৰ্ষণীয় আৰু ৰুচি সন্মত বিষয়বস্তু প্ৰস্তুত কৰা উচিত, যিয়ে শিশুসকলক অসমীয়া ভাষাৰ বিভিন্ন ৰূপ আৰু শৈলীৰ সৈতে পৰিচিত হ'বলৈ আৰু তাৰ প্ৰভাৱশালী প্ৰয়োগ বাস্তৱ জীৱনত প্ৰয়োগ



কৰিবলৈ সুবিধা প্ৰদান কৰে। সুৰুচিপূৰ্ণ আৰু বিবিধতাপূৰ্ণ শিশু-সাহিত্যৰ এই ক্ষেত্ৰত বিশেষ ভূমিকা আছে। ভাষা সম্বন্ধীয় সকলোবোৰ কৌশল, যেনে— শ্ৰৱণ, কথন, পঠন আৰু লিখন এটাৰ সৈতে আনটো জড়িত হৈ থাকে আৰু পৰস্পৰে পৰস্পৰৰ বিকাশৰ সহায়ক হয়, সেয়েহে ইহঁতক বেলেগে বেলেগে চোৱাটো অনুচিত।

এই পুথিখনত অসমীয়া ভাষা শিকনৰ ফলাফল সম্বন্ধীয় বিষয়ে দিশ উল্লেখ কৰা হৈছে, সেইবোৰ পৰস্পৰ সম্পৰ্কিত আৰু সেইবোৰত এটাতকৈ অধিক ভাষিক সক্ষমতাৰ প্ৰতিফলন ঘটোৱা হৈছে। এনেদৰেই ভাষাৰ শ্ৰেণীকোঠা এটাত একেলগে শ্ৰৱণ, কথন, পঠন আৰু লিখন কৌশলসমূহ জড়িত হৈ থাকে।

এই সকলোবোৰ দিশ আৰু শিশুৰ ভাষা সম্বন্ধীয় মনস্তাত্বিক কথাবোৰৰ প্ৰতি লক্ষ্য ৰাখি ইয়াত পাঠ চৰ্চা সম্বন্ধীয় কথাতকৈ শিক্ষণ-শিকণ প্ৰক্ৰিয়া তথা শিকনৰ ফলাফল সম্পৰ্কীয় বিষয়বস্তুবোৰৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰা হৈছে। শিকনৰ উপযুক্ত প্ৰক্ৰিয়া অবিহনে কাৰিকুলাম সম্বন্ধীয় আকাংক্ষিত ফলাফল লাভ কৰাটো সম্ভৱপৰ নহয়। সেইবাবে শিক্ষণ সম্বন্ধীয় প্ৰক্ৰিয়াসমূহে গুণগত শিক্ষা শিশুসকলে পোৱাৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰাৰ প্ৰতি লক্ষ্য ৰাখি ইয়াত তাৰ প্ৰতিফলন ঘটোৱা হৈছে। সেয়েহে শিক্ষণ-শিকনৰ প্ৰক্ৰিয়াত শিক্ষকৰ ভূমিকাও ছাত্ৰ-ছাত্ৰীসকলৰ অংশগ্ৰহণৰ সমান্তৰালকৈ সমানে গুৰুত্ব আৰোপ কৰা হৈছে।

এই শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ সৈতে বিদ্যালয় সমাজৰ অংশগ্ৰহণৰ বিষয়টোও অতি গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈছে। সেয়েহে ইয়াত পৰামৰ্শমূলক শিক্ষাদান সম্বন্ধীয় প্ৰক্ৰিয়া আৰু শিকনৰ ফলাফল সম্পৰ্কীয় দিশবোৰ বিদ্যালয় সমাজখনৰ সৈতে জড়িত কৰাৰ সুযোগ প্ৰদান কৰা হৈছে।

Globel Monitoring Report (GMR-15) অনুসৰি উন্নয়নশীল ৰাষ্ট্ৰসমূহৰ শৈক্ষিক দিশত শিশুৰ শিক্ষাগ্ৰহণত অংশগ্ৰহণ বাঢ়িছে। কিন্তু গুণগত মান লাভৰ ক্ষেত্ৰত ই এক প্ৰত্যাহ্বান ৰূপে থিয় দিছে। শিক্ষাৰ লক্ষ্যই হ'ল গুণগত মান বিশিষ্ট শিক্ষা প্ৰদান। গতিকে এই লক্ষ্যত উপনীত হ'বলৈ শিকনৰ ফলাফল সুনিৰ্দিষ্ট কৰাটো অৱশ্যেই অতি প্ৰয়োজনীয়।

## কাৰিকুলামৰ আকাংক্ষিত লক্ষ্য
## মাতৃভাষা (অসমীয়া)
## প্ৰথম শ্ৰেণীৰ পৰা পঞ্চম শ্ৰেণীলৈ

*কাৰিকুলাম সম্বন্ধীয় আকাংক্ষিত লক্ষ্যসমূহ আমাৰ ৰাজ্য অসমখনৰ সকলোবোৰ ছাত্ৰ-ছাত্ৰীৰ (জাতি, ধৰ্ম, ভাষা, বৰ্ণ, লিংগ আৰু বিশেষভাৱে সক্ষম নিৰ্বিশেষে) প্ৰতি লক্ষ্য ৰাখি প্ৰস্তুত কৰা হৈছে। তাৰোপৰি আমাৰ ৰাজ্য অসমৰ স্থানীয় বৈশিষ্ট্য, সংস্কৃতি, পৰিৱেশ, ঐতিহ্য, পৰম্পৰা আদিৰ প্ৰতিও গুৰুত্ব আৰোপ কৰা হৈছে।*

- আনৰ কথা-বতৰা মনোযোগ আৰু আগ্ৰহ সহকাৰে শুনা।
- নিজৰ অনুভৱৰ জগত আৰু কল্পনাজগতক নিসংকোচে সৰলভাৱে প্ৰকাশ কৰা।
- বিভিন্ন বিষয় সন্দৰ্ভত নিজৰ মতামত ব্যক্ত কৰাৰ চেষ্টা কৰা (কথা কৈ, ইংগিতেৰে, সাংকেতিক ভাষাৰে, চিত্ৰ আঁকি)।
- স্তৰ অনুসৰি গল্প সাধু কথা, কবিতা/পদ্য আদি আগ্ৰহেৰে শুনি ৰসাস্বাদন কৰা



■ দেখা, শুনা আৰু পঢ়া কথাবোৰ নিজাভাৱে (ঘৰুৱা ভাষাত) সলসলীয়াকৈ কোৱা, সেই বিষয়ে বিশ্লেষণ কৰা আৰু নিজৰ প্ৰতিক্ৰিয়া মৌখিক, লিখিত ৰূপত প্ৰকাশ কৰা

■ গল্প, সাধু-কথা, কবিতা আদি পঢ়ি, শুনি, বুজিলৈ নিজৰ অনুভৱৰ সৈতে জড়িত কৰিব পৰা আৰু নিজাভাৱে কোৱা আৰু লিখা।

■ স্তৰ অনুযায়ী গল্প, সাধু কথা, কবিতা আদি পঢ়ি আৰু শুনি অনুভৱৰ পৰ্যায়ত যিকোনো পৰিস্থিতি/অৱস্থাৰ সমাধান বিচৰা।

■ লিপি বা ধ্বনি প্ৰতীকবোৰ চাই আৰু তাৰ ধ্বনিবোৰ শুনি, বুজি সিহঁতৰ মাজত পাৰস্পৰিক সম্পৰ্ক গঠন কৰাৰ প্ৰচেষ্টা কৰা।

■ চিত্ৰৰ বিষয়বস্তুৰ পৰ্যৱেক্ষণ কৰি আনুমানিক পঠন কৰিব পৰা

■ পঠন প্ৰক্ৰিয়াক দৈনন্দিন জীৱনৰ (বিদ্যালয়ৰ বাহিৰে-ভিতৰে) প্ৰয়োজনৰ সৈতে জড়িত কৰা যেনে— শ্ৰেণী আৰু বিদ্যালয়ৰ নাম, নিজৰ নাম, পাঠ্যপুথিৰ নাম, দোকানৰ নাম ফলক, ঘৰ, পথ আদিৰ নাম ফলক, নিজৰ ভাল লগা পাঠ বা ৰচনা আদি পঢ়া।

■ পঢ়া আৰু শুনা কথাবোৰ বুজি নিজৰ ভাব প্ৰকাশত প্ৰয়োগ কৰি কোৱা আৰু লিখা।

■ চিত্ৰক স্ব প্ৰকাশৰ মাধ্যম ৰূপে সজাই-পৰাই প্ৰয়োগ কৰা।

■ পুথিভঁৰাল আৰু অন্যান্য উৎসৰ (শিকনকোণ, প্ৰচাৰ পত্ৰিকা, প্ৰাচীৰ পত্ৰিকা, সাংকেতিক ভাষা/ব্ৰেইল লিপি আদি) পৰা নিজৰ ইচ্ছা অনুসৰি পছন্দৰ কিতাপ বা পঠন সামগ্ৰী নিৰ্বাচন কৰি পঢ়া।

■ নিজৰ কল্পনা শক্তিৰ সহায়ত গল্প, কবিতা, আদি সৃজনীমূলক লিখনি লিখা।

■ মুখ্য শিকনৰ দিশবোৰ বিচাৰি উলিওৱাৰ বাবে সংশ্লিষ্ট বিষয়সমূহ সময়ানুযায়ী বিশ্লেষণ কৰা।

■ বিষয়বস্তুৰ আলমত নতুন শব্দৰ অৰ্থৰ সন্ধান কৰা

■ ভাল লগা বিষয় নিৰ্বাচন কৰি লিখা।

■ স্তৰ অনুসৰি যতি, বিৰাম, চিহ্নবোৰ চিনাক্ত কৰি প্ৰয়োগ কৰা।

■ বিষয় আৰু লিখনৰ উদ্দেশ্য অনুসৰি উপযুক্ত ভাষাৰ গঠন (শব্দ, বাক্য, দফা, আবেদন, ভাষণ আদি) আৰু তাৰ প্ৰয়োগ (কথিত আৰু লিখিত) কৰা।

■ নতুন শব্দবোৰ, অভিধান, শব্দকোষ, সচিত্ৰ অভিধান আদি চাই অৰ্থ উলিওৱা।

■ ভাষাৰ লয়, স্বাসাঘাটৰ জ্ঞান আহৰণ আৰু তাৰ প্ৰয়োগ কৰা।

■ ঘৰুৱা আৰু বিদ্যালয়ৰ ভাষাৰ মাজত সম্পৰ্ক স্থাপন কৰা।

■ স্তৰ অনুযায়ী ব্যাৱহাৰিক ব্যাকৰণৰ মৌখিক আৰু লিখনত ব্যৱহাৰ কৰা।



# প্ৰথম শ্ৰেণী (অসমীয়া)

| পৰামৰ্শমূলক শিক্ষণ-শিকন প্ৰক্ৰিয়া— | শিকনৰ ফলাফল |
|---|---|
| ছাত্ৰ-ছাত্ৰীসকলক স্ব-শিকন/যুৰীয়া শিকন/দলগত শিকন প্ৰক্ৰিয়াত অংশ গ্ৰহণৰ বাবে সুযোগ দিব আৰু নিম্ন লিখিত কাৰ্যসমূহ কৰিবলৈ উৎসাহিত কৰিব।<br>■ ঘৰুৱা ভাষাত নিজৰ কথা ক'বলৈ, কথোপকথন কৰিবলৈ পৰ্যাপ্ত স্বাধীনতা আৰু সুবিধা দিব।<br>■ ভিন ভিন ভাষা-ভাষী ছাত্ৰ-ছাত্ৰীসকলে শ্ৰেণীকোঠাত ঘৰুৱা ভাষাত কোৱা কথাবোৰ মান্য ভাষা আৰু অন্যান্য ভাষাত আদান-প্ৰদান কৰাৰ সুযোগ দিব।<br>■ নিচুকনি গীত, ওমলা গীত, ভংগীমা গীত, পদ্য আদি শুনি ছাত্ৰ-ছাত্ৰীসকলক একক আৰু দলগতভাৱে যিকোনো পৰিৱেশত গাবলৈ আৰু আবৃত্তি কৰিবলৈ সুবিধা দিব।<br>■ নিজে জনা গল্প, সাধু-কথা আদি আনৰ আগত ক'বলৈ সুবিধা দিব। সহজ নিৰ্দেশনা শুনি বুজিবলৈ আৰু সেয়া পালন কৰিবলৈ সুবিধা দিব।<br>■ গল্প, সাধু-কথা, কাহিনী আদি শুনি ক'বলৈ আৰু এইবোৰৰ বিষয়ে প্ৰশ্ন সুধিবলৈ সুযোগ দিব।<br>■ দেখা, শুনা সাধাৰণ দৈনন্দিন ঘটনা (হাস্যকৰ ঘটনাকে ধৰি) ঘৰুৱা বা মান্যভাষাত ক'বলৈ সুযোগ দিব। | ■ ছাত্ৰ-ছাত্ৰীসকলে নিজৰ ঘৰুৱা ভাষাত নিসংকোচে মুক্তভাৱে নিজৰ পৰিচয় দাঙি ধৰিব, কথোপকথন কৰিব আৰু নিজৰ মতামত ব্যক্ত কৰিব পাৰিব।<br>■ ভিন ভিন ভাষা-ভাষী ছাত্ৰ-ছাত্ৰীসকলে শ্ৰেণীকোঠাত নিজৰ ঘৰুৱা ভাষাত কোৱা কথাবোৰ মান্য ভাষা আৰু অন্যান্য ভাষাত আদান-প্ৰদান কৰিব পাৰিব।<br>■ নিচুকনি গীত, ওমলা গীত, ভংগিমা গীত, পদ্য আদি শুনি ছাত্ৰ-ছাত্ৰীসকলে একক আৰু দলগতভাৱে যিকোনো পৰিৱেশত গাব আৰু আবৃত্তি কৰিব পাৰিব।<br>■ নিজে জনা সাধু-কথা আদি আনৰ আগত ক'ব পাৰিব।<br>■ গল্প, সাধু-কথা, কাহিনী আদি শুনি ক'ব আৰু এইবোৰৰ বিষয়ে প্ৰশ্ন সুধিব পাৰিব।<br>■ সহজ নিৰ্দেশনা (ঘৰুৱা) শুনি বুজিব আৰু সেইবোৰ যথাযথভাৱে পালন কৰিব।<br>■ দেখা, শুনা সাধাৰণ দৈনন্দিন ঘটনা (হাস্যকৰ ঘটনাকে ধৰি) ঘৰুৱা বা মান্য ভাষাত ক'ব পাৰিব।<br>■ ছবি চাই জীৱ-জন্তু, চৰাই আদি সাধাৰণ বস্তু বুজোৱা শব্দৰ ধ্বনি আৰু আখৰৰ আকাৰ চিনি নাম ক'ব আৰু বস্তুবোৰৰ সৈতে পৰিচয় হ'ব। |



- ছবি চাই সাধাৰণ বস্তুৰ নাম ক'বলৈ সুযোগ দিব।
- ঘৰৰ চৌপাশ আৰু শ্ৰেণীকোঠাৰ পৰিৱেশ পৰ্যৱেক্ষণ কৰি বিভিন্ন ঘটনা সন্দৰ্ভত কথা ক'বলৈ আৰু এইবোৰৰ বিষয়ে প্ৰশ্নৰ অৱতাৰণা কৰিবলৈ সুযোগ দিব।
- জীৱ-জন্তু, চৰাই-চিৰিকটিৰ মাত অনুকৰণ কৰাৰ সুবিধা দিব আৰু এই সন্দৰ্ভত প্ৰশ্ন অৱতাৰণা কৰাৰ সুযোগ দিব।
- ছবিৰ সহায়ত ক্ৰম অনুসৰি সাধু-কথা, কাহিনী আদি কোৱাৰ সুযোগ দিব।
- বৰ্ণ, ধ্বনিৰ লগত চিনাকি হ'বলৈ চিত্ৰকাৰ্ড, শব্দকাৰ্ড আদি সজুঁলিৰ সহায়ত বিভিন্ন ক্ৰিয়া-কলাপৰ সৈতে জড়িত হোৱাৰ সুযোগ দিব।
- চিন্তা আৰু কল্পনা শক্তিৰ বিকাশৰ বাবে দেখি, শুনি হোৱা বিভিন্ন অভিজ্ঞতা নিজাকৈ প্ৰকাশ কৰিবলৈ সুযোগ দিব।
- বাতৰি-কাকত, প্ৰচাৰ পত্ৰিকা, নামফলক (ঘৰৰ নাম, মানুহৰ নাম, পথৰ নাম, দোকানৰ নাম আদি) বিজ্ঞাপন ফলক আদিৰ পৰা চিনি পোৱা বৰ্ণবোৰ বাছি উলিয়াবলৈ আৰু পঢ়িবলৈ সুযোগ দিব।
- ছবিৰ সহায়ত বা বস্তুৰ সহায়ত দুটা আৰু তিনিটা বৰ্ণযুক্ত সৰল শব্দ উচ্চাৰণ কৰি পঢ়ি সেইবোৰ লিখাৰ সুযোগ দিব।
- বিভিন্ন শব্দকাৰ্ড আৰু চিত্ৰকাৰ্ডৰ সহায়ত - কাৰ (স্বৰ) চিহ্ন চিনিব আৰু - কাৰ (স্বৰ)

- ঘৰ, চৌপাশ আৰু শ্ৰেণীকোঠাৰ পৰিৱেশ পৰ্যৱেক্ষণ কৰি বিভিন্ন ঘটনা সন্দৰ্ভত কথা ক'ব আৰু এইবোৰৰ বিষয়ে প্ৰশ্ন সুধিব পাৰিব।
- জীৱ-জন্তু, চৰাই-চিৰিকটিৰ মাত অনুকৰণ কৰিব আৰু এই সন্দৰ্ভত প্ৰশ্ন সুধিব পাৰিব।
- জীৱ-জন্তু, চৰাই-চিৰিকটিৰ মাত শুনি এইবোৰ চিনাক্তকৰণ কৰিব পাৰিব।
- ছবিৰ সহায়ত ক্ৰম অনুসৰি সাধু-কথা, কহিনী ক'ব পাৰিব।
- চিত্ৰকাৰ্ড, শব্দকাৰ্ড আদিৰ সহায়ত বিভিন্ন ক্ৰিয়া-কলাপৰ জৰিয়তে বৰ্ণ, ধ্বনিৰ লগত চিনাকি হ'ব।
- চিন্তা আৰু কল্পনা শক্তিৰ বিকাশৰ বাবে দেখি, শুনি পোৱা বিভিন্ন অভিজ্ঞতাবোৰ নিজাকৈ প্ৰকাশ কৰিব পাৰিব।
- বাতৰি-কাকত, প্ৰচাৰ পত্ৰিকা, নামফলক (ঘৰৰ নাম, মানুহৰ নাম, পথৰ নাম, দোকানৰ নাম আদি) বিজ্ঞাপনফলক আদিৰ পৰা চিনিপোৱা বৰ্ণবোৰ বাছি উলিয়াব আৰু এইবোৰ পঢ়িব পাৰিব।
- বৰ্ণজ্ঞান স্থায়ী হ'ব।
- ছবিৰ সহায়ত বা বস্তুৰ সহায়ত দুটা বৰ্ণযুক্ত আৰু তিনিটা বৰ্ণযুক্ত শব্দ পঢ়িব আৰু লিখিব পাৰিব।
- শুদ্ধভাৱে পঢ়িব আৰু লিখিব পাৰিব।
- বিভিন্ন শব্দকাৰ্ড আৰু চিত্ৰকাৰ্ডৰ সহায়ত - কাৰ (স্বৰ) চিহ্ন যুক্ত শব্দ পঢ়িব আৰু লিখিব পাৰিব।



চিহ্ন যুক্ত শব্দ পঢ়ি সেইবোৰ লিখাৰ সুযোগ দিব।

- আঁক-বাঁক কৰা, খৰকৈ চিত্ৰ অঁকাৰ সুযোগ দিব।
- - কাৰ (স্বৰ) চিহ্ন যুক্ত শব্দ শুনি লিখিবলৈ সুযোগ দিব।
- ভাল লগা আৰু চিনাকি বস্তুৰ বিষয়ে ২-৩ টা শব্দৰ সহায়ত সৰল বাক্য লিখাৰ সুযোগ দিব।
- ব্যাৱহাৰিক ব্যাকৰণৰ জ্ঞানৰ বিকাশ আৰু তাৰ যথাযথ প্ৰয়োগৰ সুবিধা দিব।
- জনা আৰু নজনা লিখিত সামগ্ৰীবোৰ (যেনে— মধ্যাহ্ন ভোজনৰ চাৰ্ট, নিজৰ নাম, বিদ্যালয়ৰ নাম আদি) চাই, পঢ়ি অৰ্থ বিচাৰ কৰাৰ সুযোগ দিব।
- ছাত্ৰ-ছাত্ৰীক নিজ হাতে (মাটি, কাগজ আদি) সামগ্ৰী সাঁজিবলৈ সুবিধা দিব। সেই সামগ্ৰীবোৰৰ ছবি আঁকি তলত ঘৰুৱা ভাষাৰ নাম লিখিবলৈ আৰু সেই বস্তুবোৰৰ তালিকা প্ৰস্তুত কৰাৰ সুযোগ দিব।

— কাৰ (স্বৰ) চিহ্নযুক্ত শব্দৰ গঠন বুজিব পাৰিব।

— কাৰ (স্বৰ) চিহ্নযুক্ত শব্দ ব্যৱহাৰ কৰিব পাৰিব।

- নিৰ্দেশনা অনুসৰি আৰু নিজৰ ইচ্ছা অনুসৰি আঁক-বাঁক কৰিব আৰু চিত্ৰ আঁকিব। শ্ৰুতলিপি লিখিব। বানানৰ শুদ্ধতা আহৰণ কৰিব পাৰিব।
- ভাল লগা আৰু চিনাকি বস্তুৰ বিষয়ে ২-৩ টা শব্দৰ সহায়ত সৰল বাক্য লিখিব পাৰিব।

—সৰল বাক্যৰ গঠন বুজিব।

- ব্যাকৰণৰ বিষয়ে জানি প্ৰয়োগ কৰিব পাৰিব।
- জনা আৰু নজনা লিখিত সামগ্ৰীবোৰ (যেনে— মধ্যাহ্ন ভোজনৰ চাৰ্ট, নিজৰ নাম, বিদ্যালয়ৰ নাম) মন দি চাব, পঢ়িব, আলোচনা কৰিব আৰু এইবোৰৰ অৰ্থ বিচাৰ কৰি যুক্তি দিব পাৰিব।

—চাৰ্টৰ ব্যৱহাৰ শিকিব।

—দৈনন্দিন ব্যৱহাৰ্য বস্তুৰ তালিকাৰ ব্যৱহাৰ জানিব।

- ছাত্ৰ-ছাত্ৰীয়ে নিজ হাতে সঁজা সামগ্ৰীৰ ছবি আঁকি তলত ঘৰুৱা ভাষাত সামগ্ৰীৰ নাম লিখিব।

—ঘৰুৱা ভাষাৰ শব্দৰ তালিকা প্ৰস্তুত কৰিব পাৰিব।



# দ্বিতীয় শ্ৰেণী (অসমীয়া)

## পৰামৰ্শমূলক শিক্ষণ-শিকন প্ৰক্ৰিয়া—

ছাত্ৰ-ছাত্ৰীসকলক স্ব-শিকন/যুৰীয়া শিকন/দলগতশিকন প্ৰক্ৰিয়াত অংশ গ্ৰহণৰ বাবে সুযোগ দিব আৰু নিম্ন লিখিত কাৰ্যসমূহ কৰিবলৈ উৎসাহিত কৰিব।

- ঘৰুৱা ভাষাত নিজৰ কথা ক'বলৈ, কথা-বতৰা পাতিবলৈ পৰ্যাপ্ত স্বাধীনতা আৰু সুবিধা দিব।
- মান্য ভাষাত শুনা কথা, পদ্য, কাহিনী আদি নিজৰ কথাৰে ক'বলৈ, প্ৰশ্ন সুধিবলৈ আৰু নিজৰ কথা সংযোজন কৰিবলৈ সুযোগ দিব।
- ছাত্ৰী-ছাত্ৰীসকলক নিজৰ ঘৰুৱা ভাষাত কোৱা কথাবোৰ শ্ৰেণীকোঠাত মান্য ভাষা আৰু অন্যান্য ভাষাত আদান-প্ৰদান কৰিবলৈ সুবিধা দিব।
- শিকনকোণত স্তৰ অনুসৰি থকা বিভিন্ন প্ৰকাৰৰ, বিভিন্ন ভাষাৰ আকৰ্ষণীয় সামগ্ৰী যেনে— শিশু-সাহিত্য, শিশু পত্ৰিকা, প্ৰচাৰ পত্ৰিকা, দৃশ্য-শ্ৰাব্য সামগ্ৰী চোৱাৰ সুবিধা দিব।
- পদ্য আবৃত্তি কৰাৰ সুবিধা দিব।
- ছবিৰ আধাৰত ভিন ভিন কাহিনী, গল্প, সাধু পৰ্যৱেক্ষণ কৰি বুজি নিজাধৰণে ক'বলৈ আৰু সেইবোৰৰ বিষয়ে সোধা প্ৰশ্নৰ উত্তৰ দিবলৈ সুবিধা দিব।
- কোনো কাহিনী পঢ়ি, শুনি কাহিনীটোৰ বিষয়ে জানিবলৈ, ঘটনাৰ ক্ৰম ৰক্ষা কৰিব আৰু ঘটনা সম্পৰ্কত মতামত দিবলৈ সুযোগ

## শিকনৰ ফলাফল

- ঘৰুৱা ভাষাত নিজৰ পৰিচয় দাঙি ধৰিব আৰু মুক্তভাৱে কথা বতৰা পাতিব পাৰিব।

  —ভিন ভিন ভাষা-ভাষীৰ ছাত্ৰ-ছাত্ৰীসকলে পৰস্পৰে পৰস্পৰৰ সৈতে মনৰ ভাব, চিন্তা, অভিজ্ঞতা আদান-প্ৰদান কৰিব পাৰিব।
- মান্য ভাষাত শুনা কথা, পদ্য, কাহিনী আদি নিজৰ কথাৰে ক'ব, প্ৰশ্ন সুধিব আৰু নিজৰ কথা সংযোজন কৰিব পাৰিব।
- ছাত্ৰ-ছাত্ৰীসকলে নিজৰ ঘৰুৱা ভাষাত কোৱা কথাবোৰ শ্ৰেণীকোঠাত মান্য ভাষা আৰু অন্যান্য ভাষাত আদান-প্ৰদান কৰিব পাৰিব।
- শিকনকোণত স্তৰ অনুসৰি থকা বিভিন্ন প্ৰকাৰৰ, বিভিন্ন ভাষাৰ, আকৰ্ষণীয় সামগ্ৰী যেনে— শিশু-সাহিত্য, শিশু পত্ৰিকা, প্ৰচাৰ পত্ৰিকা, দৃশ্য-শ্ৰাব্য সামগ্ৰীবোৰ চাব আৰু শিকনত ব্যৱহাৰ কৰিব পাৰিব।
- পাঠত থকা আৰু অন্যান্য পঠন সামগ্ৰীত থকা পদ্য আবৃত্তি কৰিব পাৰিব।
- ছবিৰ আধাৰত ভিন ভিন কাহিনী, গল্প, সাধু বুজি নিজা ধৰণে ক'ব আৰু সেইবোৰৰ বিষয়ে সোধা প্ৰশ্নৰ উত্তৰ দিব পাৰিব।
- কোনো কাহিনী পঢ়ি, শুনি কাহিনীটোৰ বিষয়ে জানিব, ঘটনাৰ ক্ৰম ৰক্ষা কৰিব আৰু ঘটনা সম্পৰ্কত মতামত দিব পাৰিব।
- মহাপুৰুষৰ জীৱনী, গল্প, কাহিনী, পদ্য আদি পঢ়ি শুনাব আৰু আলোচনা কৰিব পাৰিব।



দিব।

- মহাপুৰুষৰ জীৱনী, গল্প, কাহিনী, পদ্য আদি পঢ়ি শুনোৱাৰ আৰু আলোচনা কৰাৰ সুবিধা দিব।
- দেখা, শুনা আৰু পঢ়া কথা, ছবি, শব্দ আৰু বাক্যৰে প্ৰকাশ কৰাৰ সুযোগ দিব।
- পদ্য শুনি পঢ়ি গদ্য ৰূপত ক'বলৈ সুযোগ দিব।
- গীত শুনা, গোৱা, পদ্য/কবিতা আদি পাঠ কৰা আৰু আবৃত্তি কৰাৰ সুযোগ দিব।
- সাঁথৰ সোধা আৰু ভঙা, ফকৰা-যোজনা, প্ৰবচন, নীতি- কথা আদি জানি বুজি সঠিকভাৱে প্ৰয়োগ কৰাৰ সুযোগ দিব।
- বিভিন্ন পাঠ, বিষয়, অভিজ্ঞতা আদি অভিনয়ৰ সহায়ত প্ৰকাশ কৰাৰ সুযোগ দিব। (শ্ৰেণীকোঠাৰ ভিতৰে-বাহিৰে)
- ছাত্ৰ-ছাত্ৰীক বৰ্ণৰ আকৃতি দেখি বুজি শুদ্ধ ৰূপত লিখাৰ বাবে পৰ্যাপ্ত সুযোগ দিব।
- ছাত্ৰ-ছাত্ৰীক উপযুক্ত শব্দ ব্যৱহাৰ কৰি বাক্য ৰচনা কৰাৰ সুবিধা দিব।
- সহজ-সৰল গল্প, কাহিনী, ঘটনা, গীত-মাত আদি শুনি, বুজি ক'বলৈ আৰু প্ৰশ্ন সুধিবলৈ সুযোগ দিব।
- বিভিন্ন লিখনিত পোৱা নতুন নতুন শব্দ বুজি সেইবোৰৰ অৰ্থ সুনিশ্চিত কৰিবলৈ অভিধান চোৱাৰ সুযোগ দিব।
- ছবিৰ আধাৰত ভিন ভিন কাহিনী, গল্প, সাধু আদি পঢ়ি, নিজা ধৰণে কবলৈ আৰু সেইবোৰৰ বিষয়ে প্ৰশ্ন সুধিবলৈ আৰু সোধা প্ৰশ্নৰ উত্তৰ দিবলৈ সুযোগ দিব।
- জাতীয় সাহিত্য, সংস্কৃতি, ঐতিহ্য, পৰম্পৰা

- দেখা, শুনা আৰু পঢ়া কথা, ছবি, শব্দ আৰু বাক্যৰে প্ৰকাশ কৰিব পাৰিব।
- পদ্য শুনি গদ্য ৰূপত ক'ব, বোধশক্তি বাঢ়িব, উচ্চাৰণ সলসলীয়া হ'ব।
- গীত শুনিব, গাব, পদ্য/কবিতা আদি পাঠ কৰিব আৰু আবৃত্তি কৰিব পাৰিব।
- সাঁথৰ সোধা আৰু ভঙা, ফকৰা-যোজনা, প্ৰবচন, নীতি কথা আদি সংগ্ৰহ কৰি জানিব, বুজিব আৰু সঠিকভাৱে প্ৰয়োগ কৰিব পাৰিব।
- যুক্তাক্ষৰ পঢ়ি ভাঙিব গঠন কৰিব আৰু যুক্তাক্ষৰযুক্ত শব্দ পঢ়িব পাৰিব।
- বিভিন্ন বিষয়, অভিজ্ঞতা পাঠ আদিৰ ওপৰত অভিনয় কৰিব পাৰিব।
- ছাত্ৰ-ছাত্ৰীয়ে বৰ্ণৰ আকৃতি দেখি বুজিব আৰু শুদ্ধ ৰূপত লিখিব পাৰিব।
- উপযুক্ত শব্দ ব্যৱহাৰ কৰি ছাত্ৰ-ছাত্ৰীয়ে বাক্য ৰচনা কৰিব পাৰিব।
- সহজ-সৰল গল্প, কাহিনী, ঘটনা, গীত-মাত আদি শুনি বুজি ক'ব আৰু প্ৰশ্ন কৰিব পাৰিব।
- বিভিন্ন লিখনিত পোৱা নতুন নতুন শব্দ বুজি সেইবোৰৰ অৰ্থ সুনিশ্চিত কৰিবলৈ অভিধান চাব পাৰিব।
- ছবিৰ আধাৰত ভিন ভিন কাহিনী, গল্প, সাধু আদি পঢ়ি নিজা ধৰণে ক'ব। সেইবোৰৰ বিষয়ে প্ৰশ্ন সুধিব আৰু সোধা প্ৰশ্নৰ উত্তৰ দিব পাৰিব।
- জাতীয় সাহিত্য, সংস্কৃতি, ঐতিহ্য, পৰম্পৰা সম্পৰ্কীয় লিখনি পঢ়িব আৰু এইবোৰৰ বিষয়ে অধিক জানিবলৈ আগ্ৰহী হ'ব।



সম্পৰ্কীয় লিখনি পঢ়ি তাৰ বিষয়ে জানিবলৈ আৰু আগ্ৰহ বৃদ্ধি কৰিবলৈ সুযোগ দিব।

- প্ৰতিষ্ঠিত কবি সাহিত্যিক আৰু মহৎলোকৰ জীৱনী, তেওঁলোকৰ কৰ্মৰাজি আৰু জীৱনশৈলী সম্পৰ্কে জনা আৰু বুজাৰ সুবিধা দিব।
- বৈজ্ঞানিক দৃষ্টিভংগী, স্থানীয় সম্পদ সংৰক্ষণ, পৰিৱেশ সংৰক্ষণ, বৰ্ণ বৈষম্য দূৰীকৰণ আদিৰ বিষয়ে পঢ়ি জানিবলৈ আৰু হৃদয়ংগম কৰিবলৈ সুযোগ দিব।
- শিশু উপযোগী ভাওনা, ভ্ৰাম্যমাণ থিয়েটাৰৰ নাটক, দূৰদৰ্শনৰ কাৰ্যসূচী, চাই আৰু শুনি অনাতাঁৰ কেন্দ্ৰৰদ্বাৰা প্ৰচাৰিত অনুষ্ঠান নিজাকৈ গদ্যৰূপত কোৱাৰ সুবিধা দিব।
- শ্ৰুতলিপি লিখাৰ সুবিধা দিব।
- শিশু-আলোচনী, সাধু, নাটক, বাতৰি-কাকত পঢ়াৰ সুযোগ দিব।
- দৃশ্য-শ্ৰাব্য সঁজুলি, বৈদ্যুতিন মাধ্যমত প্ৰচাৰিত বক্তৃতা, চলন্ত বিৱৰণী, কথোপকথন, বাতৰি চাই, শুনি বুজিবলৈ সুযোগ দিব।
- চিঠি-পত্ৰ আৰু আৱেদন লিখিবলৈ অনুশীলন কৰাৰ সুযোগ দিব।
- স্বাস্থ্যনীতি আৰু পৰিষ্কাৰ-পৰিচ্ছন্ন সম্পৰ্কীয় লিখনিবোৰ পঢ়ি, বুজি এইবোৰ প্ৰয়োগ কৰাৰ সুযোগ দিব।
- ক্ষেত্ৰভিত্তিক অধ্যয়ন কৰি ক্ষেত্ৰভ্ৰমণ সম্পৰ্কে কোৱাৰ সুযোগ দিব।
- দৈনন্দিন কাৰ্যসমূহ একাদিক্ৰমে লিখাৰ সুযোগ দিব।
- স্তৰ অনুযায়ী ব্যাকৰণৰ ব্যাৱহাৰিক জ্ঞান লাভ কৰাৰ আৰু প্ৰয়োগ কৰাৰ সুযোগ দিব।

- প্ৰতিষ্ঠিত কবি, সাহিত্যিক আৰু মহৎলোকৰ জীৱনী আৰু তেওঁলোকৰ কৰ্মৰাজি সম্পৰ্কে পঢ়িব, বুজিব, অনুপ্ৰাণিত হ'ব আৰু সজ আচৰণ শিকিব পাৰিব।
- বৈজ্ঞানিক দৃষ্টিভংগী, স্থানীয় সম্পদ সংৰক্ষণ, পৰিৱেশ সংৰক্ষণ, বৰ্ণ বৈষম্য দূৰীকৰণ আদিৰ বিষয়ে পঢ়িব আৰু হৃদয়ংগম কৰিব পাৰিব।
- শিশু উপযোগী ভাওনা, ভ্ৰাম্যমাণ থিয়েটাৰৰ নাটক, দূৰদৰ্শনৰ কাৰ্যসূচী চাব, অনাতাঁৰ কেন্দ্ৰৰ দ্বাৰা প্ৰচাৰিত অনুষ্ঠান শুনিব আৰু গদ্য ৰূপত ক'ব পাৰিব।

  — শ্ৰুতলিপি লিখিব পাৰিব।

  — বানানৰ শুদ্ধতা আহৰণ কৰিব পাৰিব।

  — দ্ৰুত লিখন ক্ষমতা আহৰণ কৰিব পাৰিব।
- শিশু আলোচনী, সাধু, অন্যান্য পুথি, নাটক, বাতৰি- কাকত আদি পঢ়িব পাৰিব।
- বৈদ্যুতিন মাধ্যমত প্ৰচাৰিত বক্তৃতা, চলন্ত বিৱৰণী, বিজ্ঞাপন, কথোপকথন, বাতৰি চাই, শুনি, পঢ়ি বুজিব পাৰিব।
- চিঠি- পত্ৰ আৰু আৱেদন লিখাৰ অভ্যাস কৰিব পাৰিব।
- স্বাস্থ্য নীতি আৰু পৰিষ্কাৰ-পৰিচ্ছন্ন সম্পৰ্কীয় লিখনিবোৰ পঢ়িব, বুজিব আৰু এইবোৰ প্ৰয়োজনমতে প্ৰয়োগ কৰিব পাৰিব।
- ক্ষেত্ৰ ভিত্তিক অধ্যয়ন কৰি ক্ষেত্ৰভ্ৰমণ সম্পৰ্কে ক'ব পাৰিব।
- দিনলেখা লিখিব পাৰিব।
- ব্যাকৰণ মৌখিক আৰু লিখিত ৰূপত প্ৰয়োগ কৰিব পাৰিব।




# তৃতীয় শ্ৰেণী (অসমীয়া)

| পৰামৰ্শমূলক শিক্ষণ-শিকন প্ৰক্ৰিয়া— | শিকনৰ ফলাফল |
| --- | --- |
| ছাত্ৰ-ছাত্ৰীসকলক স্ব-শিকন/যুৰীয়া শিকন/দলগতশিকন প্ৰক্ৰিয়াত অংশ গ্ৰহণৰ বাবে সুযোগ দিব আৰু নিম্ন লিখিত কাৰ্যসমূহ কৰিবলৈ উৎসাহিত কৰিব।<br>■ ঘৰুৱা ভাষাত নিজৰ কথা ক'বলৈ আৰু শুনিবলৈ প্ৰয়োজন অনুসৰি সুবিধা দিব।<br>■ ছাত্ৰ-ছাত্ৰীক মান্য ভাষাত শুনা কবিতা, গল্প, সাধু আদি নিজা শৈলীৰে ক'বলৈ, মনত উদয় হোৱা প্ৰশ্ন সুধিবলৈ আৰু নিজৰ ভাব সংযোজন কৰি প্ৰতিক্ৰিয়া প্ৰকাশ কৰিবলৈ সুবিধা দিব।<br>■ ভিন ভিন ভাষা-ভাষী ছাত্ৰ-ছাত্ৰীসকলে নিজৰ ঘৰুৱা ভাষাত কোৱা কথাবোৰ মান্য ভাষা আৰু অন্যান্য ভাষাত আদান-প্ৰদান কৰাৰ সুবিধা দিব। (ইয়াৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলৰ শব্দ-জ্ঞান বৃদ্ধি কৰিবলৈ আৰু প্ৰকাশ কৰাৰ কৌশল আয়ত্ত কৰিবলৈ সুবিধা দিব।)<br>■ শিকনকোণ আৰু পুথিভঁৰালত স্তৰ অনুসৰি থকা বিভিন্ন আকৰ্ষণীয় সামগ্ৰী, যেনে— শিশু-সাহিত্য, শিশু পত্ৰিকা, দৃশ্য-শ্ৰাব্য সঁজুলি আদি ব্যৱহাৰ কৰিব।<br>■ ছবিৰ আধাৰত ভিন ভিন কাহিনী, গল্প, সাধু আদি পঢ়ি নিজাধৰণে ক'ব, সেইবোৰৰ বিষয়ে মনত উদয় হোৱা প্ৰশ্ন সুধিব আৰু আনে সোধা প্ৰশ্নৰ উত্তৰ দিবলৈ সুযোগ দিব। | ■ ঘৰুৱা ভাষাত প্ৰয়োজন অনুসৰি নিজৰ পৰিচয় দিব আৰু নিজৰ অভিজ্ঞতা ব্যক্ত কৰিব পাৰিব।<br>■ ছাত্ৰ-ছাত্ৰীয়ে মান্যভাষাত শুনা কবিতা, গল্প, সাধু আদি নিজা শৈলীৰে ক'ব, প্ৰশ্ন সুধিব আৰু নিজৰ ভাব সংযোজন কৰি প্ৰতিক্ৰিয়া প্ৰকাশ কৰিব পাৰিব।<br>■ শ্ৰেণীকোঠাত মান্যভাষা আৰু অন্যান্য ভাষাৰে ভাবৰ আদান-প্ৰদান কৰিব। ইয়াৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলৰ শব্দ ভাণ্ডাৰ বৃদ্ধি হ'ব আৰু প্ৰকাশভংগীৰ বিকাশ ঘটিব।<br>■ শিকনকোণ আৰু পুথিভঁৰালত স্তৰ অনুসৰি থকা বিভিন্ন আকৰ্ষণীয় সামগ্ৰী, যেনে— শিশু-সাহিত্য, শিশু পত্ৰিকা, দৃশ্য-শ্ৰাব্য সঁজুলি আদি ব্যৱহাৰ কৰিব পাৰিব।<br>■ ছবিৰ আধাৰত ভিন ভিন কাহিনী, গল্প, সাধু আদি পঢ়িব, নিজা শৈলীৰে ক'ব, সেইবোৰৰ বিষয়ে মনত উদয় হোৱা প্ৰশ্ন সুধিব আৰু আনে সোধা প্ৰশ্নৰ উত্তৰ দিব পাৰিব।<br>■ ভিন ভিন উদ্দেশ্যৰ প্ৰতি লক্ষ্য ৰাখি যিকোনো গল্প, কাহিনীৰ বিষয়ে শুনি, পঢ়ি জানিব আৰু বিষয়বস্তুৰ ওপৰত নিজৰ মতামত দিব পাৰিব।<br>■ শিশু উপযোগী ভাওনা, ভ্ৰাম্যমাণ থিয়েটাৰৰ নাটক, দূৰদৰ্শনৰ কাৰ্যসূচী চাই আৰু অনাতাঁৰ কেন্দ্ৰৰ দ্বাৰা প্ৰচাৰিত অনুষ্ঠান শুনি নিজাকৈ গদ্যৰূপত ক'ব পাৰিব। |

- শিশু উপযোগী ভাওনা, ভ্ৰাম্যমাণ থিয়েটাৰৰ নাটক, দূৰদৰ্শনৰ কাৰ্যসূচী চাই আৰু অনাতাঁৰ কেন্দ্ৰৰ দ্বাৰা প্ৰচাৰিত অনুষ্ঠান শুনি নিজাকৈ গদ্যৰূপত সলসলীয়াকৈ ক'বলৈ সুযোগ দিব।
- ছবিৰ সহায়ত কাহিনী, সাধু আদি ক্ৰম অনুসৰি কোৱাৰ সুযোগ দিব।
- পদ্য/কবিতা আবৃত্তি কৰাৰ সুযোগ দিব।
- স্তৰ অনুযায়ী ভিন ভিন ব্যাৱহাৰিক ব্যাকৰণৰ বিষয়ে জানিবলৈ আৰু প্ৰয়োগ কৰিবলৈ সুযোগ দিব।
- স্তৰ অনুযায়ী যুক্তাক্ষৰ চিনিবলৈ, ভাঙিবলৈ আৰু গঠন কৰিবলৈ সুবিধা দিব।
- যুক্তাক্ষৰযুক্ত শব্দৰ প্ৰয়োগ থকা সাধু, গল্প, কাহিনী আদি পঢ়িবলৈ আৰু লিখিবলৈ সুযোগ দিব।
- বিভিন্ন ধৰণৰ লিখনিত পোৱা নতুন শব্দবোৰ বুজি অৰ্থ সুনিশ্চিত কৰিবলৈ অভিধান চোৱাৰ সুযোগ দিব।
- ভিন ভিন উদ্দেশ্যে চিঠি-পত্ৰ, আৱেদন আদি লিখিবলৈ সুযোগ দিব।
- বাতৰি-কাকত, শিশু-সাহিত্য, প্ৰচাৰ পত্ৰিকা আদি পঢ়ি, বুজি সেইবোৰৰ ওপৰত শিক্ষক আৰু সহপাঠী/বন্ধুৰ সহায়ত প্ৰশ্নৰ অৱতাৰণা কৰি নিজৰ মতামত দি বিষয়বোৰ চৰ্চা কৰিবলৈ সুযোগ দিব।
- সৃজনীমূলক লিখনি আৰু নিজা শৈলীৰে লিখনি (Conventional writing) লিখিবলৈ সুযোগ দিব। দেখা, শুনা কাহিনী নিজা শৈলীৰে লিখাৰ সুবিধা দিব।
- নতুন নতুন শব্দ আৰু বাক্য নিৰ্বাচন কৰি সেইবোৰ উপযুক্ত স্থানত ব্যৱহাৰ কৰাৰ

- ছবিৰ সহায়ত কাহিনী, সাধু আদি ক্ৰম অনুসৰি ক'ব পাৰিব।
- পদ্য/কবিতা আবৃত্তি কৰিব পাৰিব।
- স্তৰ অনুযায়ী ভিন ভিন ব্যাৱহাৰিক ব্যাকৰণ জানিব আৰু প্ৰয়োগ কৰিব পাৰিব।
- স্তৰ অনুযায়ী যুক্তাক্ষৰ চিনিব, ভাঙিব আৰু গঠন কৰিব পাৰিব।
- যুক্তাক্ষৰযুক্ত শব্দৰ ব্যৱহাৰ থকা সাধু, গল্প, কাহিনী আদি পঢ়িব আৰু লিখিব পাৰিব।
- বিভিন্ন ধৰণৰ লিখনিত পোৱা নতুন শব্দবোৰ বুজি অৰ্থ নিশ্চিত কৰিবৰ বাবে অভিধান ব্যৱহাৰ কৰিব পাৰিব।
- ভিন ভিন উদ্দেশ্যেৰে চিঠি-পত্ৰ, আৱেদন আদি লিখিব পাৰিব।
- বাতৰি-কাকত, শিশু-সাহিত্য, প্ৰচাৰ পত্ৰিকা আদি পঢ়ি, বুজি সেইবোৰৰ ওপৰত শিক্ষক আৰু সহপাঠী/বন্ধুৰ সৈতে আলোচনা কৰি প্ৰশ্নৰ অৱতাৰণা কৰিব। নিজৰ মতামত দি বিষয়বোৰ চৰ্চা কৰিব পাৰিব।
- সৃজনীমূলক লিখনি আৰু নিজা শৈলীৰে লিখনি (Conventional writing) লিখিব পাৰিব।
- পাঠ্যপুথিৰ পাঠ আৰু অন্যান্য পাঠৰ পৰা নতুন নতুন শব্দ আৰু বাক্য নিৰ্বাচন কৰি বাস্তৱ পৰিৱেশত প্ৰয়োগ কৰিব পাৰিব।
- উদ্দেশ্য অনুসৰি উপযুক্ত শব্দ আৰু বাক্য নিৰ্বাচন কৰি ব্যৱহাৰ কৰিব পাৰিব।



সুবিধা দিব।

■ উদ্দেশ্য অনুসৰি উপযুক্ত শব্দ আৰু বাক্য নিৰ্বাচন কৰি প্ৰয়োজনত ব্যৱহাৰ কৰাৰ সুযোগ দিব।

■ নিজৰ পৰিয়াল, বিদ্যালয়, গাঁৰৰ চৌপাশ, খেলপথাৰ (দৈনন্দিন জীৱনৰ সৈতে জড়িত ঘটনাৱলী) আদিৰ ওপৰত নিজৰ অনুভৱ লিখি ইজনে-সিজনৰ লগত মত বিনিময় কৰিবলৈ সুযোগ দিব।

■ শ্ৰেণীকোঠাত ইজনে-সিজনৰ লিখনিবোৰ পঢ়িবলৈ আৰু এইবোৰৰ ওপৰত মতামত দি লিখনিবোৰ চমু বা বহলাই লিখিবলৈ সুযোগ দিব।

■ জাতীয় সাহিত্য, সংস্কৃতি, ঐতিহ্য, পৰম্পৰা সম্পৰ্কীয় লিখনি পঢ়ি শুনি তাৰ বিষয়ে জানিবলৈ আগ্ৰহ বৃদ্ধি কৰাৰ সুযোগ দিব।

■ প্ৰতিষ্ঠিত কবি, সাহিত্যিক আৰু মহৎলোকৰ কৰ্মৰাজি আৰু জীৱনশৈলী সম্পৰ্কে জনা আৰু বুজাৰ সুযোগ দিব।

■ বৈজ্ঞানিক দৃষ্টিভংগী, স্থানীয় সম্পদ সংৰক্ষণ, বৰ্ণবৈষম্য দূৰীকৰণ আদিৰ বিষয়ে জানিবলৈ আৰু হৃদয়ঙ্গম কৰিবলৈ সুযোগ দিব।

■ সমাজত স্ত্ৰী/নাৰী/ছোৱালীৰ মৰ্যাদা আৰু সমঅধিকাৰ সম্পৰ্কে জানিবলৈ সুযোগ দিব।

■ বাতৰি-কাকত, শিশু-আলোচনী, আদি পঢ়ি বুজি সেইবোৰৰ ওপৰত প্ৰতিক্ৰিয়া ব্যক্ত কৰিব আৰু প্ৰশ্নৰ উত্তৰ (লিখিত/ব্ৰেইল লিপিৰ জৰিয়তে) দিব।

■ নিজৰ পৰিয়াল, বিদ্যালয়, গাঁৰৰ চৌপাশ, খেলপথাৰ (দৈনন্দিন জীৱনৰ সৈতে জড়িত ঘটনাৱলী) আদিৰ ওপৰত নিজৰ অনুভৱ লিখি ইজনে-সিজনৰ লগত মত বিনিময় কৰিব পাৰিব।

■ শ্ৰেণীকোঠাত ইজনে-সিজনৰ লিখনিবোৰ পঢ়িব আৰু এইবোৰৰ ওপৰত মতামত দি লিখনিবোৰ চমুকৈ বা বহলাই লিখিব পাৰিব।

■ জাতীয় সংস্কৃতি সংৰক্ষণ, সাহিত্য, ঐতিহ্য আৰু পৰম্পৰা সম্পৰ্কীয় লিখনি আগ্ৰহেৰে পঢ়িব পাৰিব।

* প্ৰতিষ্ঠিত কবি, সাহিত্যিক আৰু মহৎলোকৰ কৰ্মৰাজি আৰু জীৱন শৈলী পঢ়ি বুজি অনুপ্ৰাণিত হ'ব।

* বৈজ্ঞানিক দৃষ্টিভংগী, মূল্যবোধ, স্থানীয় সম্পদ সংৰক্ষণ, বৰ্ণবৈষম্য দূৰীকৰণ আদিৰ বিষয়ে জ্ঞান লাভ কৰি এইবোৰ প্ৰয়োজনীয় পৰিৱেশত প্ৰয়োগ কৰিব পাৰিব।

* স্ত্ৰী/নাৰী/ছোৱালীৰ সমাজত মৰ্যাদা আৰু সমঅধিকাৰ সম্পৰ্কে সচেতন হ'ব পাৰিব।

* বাতৰি-কাকত, শিশু-আলোচনী, আদি পঢ়ি বুজি সেইবোৰৰ ওপৰত প্ৰতিক্ৰিয়া ব্যক্ত কৰিবলৈ আৰু প্ৰশ্নৰ উত্তৰ দিব (লিখিত/ব্ৰেইল লিপিৰ জৰিয়তে) পাৰিব।

